অপসংস্কৃতিৰ ৰঘুমলাই সমাজ-সংস্কৃতিৰ গা-গছ ছাটি ধৰাত ৰুচিবান দৰ্শক শ্ৰোতা চিন্তিত হোৱাৰ সময়ত তৰালি শৰ্মাৰ গীতে ৰাষ্ট্ৰীয় বঁটা কঢ়িয়াই অনাৰ সংবাদ যেন নিদাঘৰ সময়ত গা-মন জুৰ কৰা এছাটি মলয়া বতাহ। অনুভূতি নদীৰ সাৰুৱা ক্ষেত্ৰত জীৱন-যাপন কৰি সংগীত জগতক নিত্য নতুন সৃষ্টিৰে চহকী কৰি যোৱাটোৱে তেওঁৰ জীৱনৰ লক্ষ্য।

"মানুহৰ আশাৰ পৰিধি নাই, হেঁপাহৰ পৰিধি নাই, সপোনৰ পৰিধি নাই ........। এই সকলো মানুহৰ মাজত ময়ো এগৰাকী, মোৰো যে বহু আশা, বহু হেঁপাহ, বহু সপোন ........। বহু সপোনৰ মাজত মোৰ আটাইতকৈ ভাল লগা সপোনটো হ'ল মোৰ গীতৰ, মোৰ সংগীতৰ ....। প্ৰথমবাৰ জীৱনত গীত গোৱাৰ দিনা ভবাই নাছিলো ইযে হবগৈ আগলৈ মোৰ প্ৰতি পলৰ সংগী, মোৰ উশাহ-নিশাহ, মোৰ সত্তা ....।"

## *শৈশৱ ............ মোৰ সোণোৱালী শৈশৱ।*

Words worth এ কৈ গৈছে যে - Childhood is the best part of man's life.... খেল-ধেমালী, ক্লাচ-ৱৰ্ক, হোম ৱৰ্ক, ভূগোল, অংক, ইংৰাজী মাজতে পাৰ হৈছে মোৰো শৈশৱ। কিন্তু এই সকলোবোৰৰ হেঁচাঁৰ মাজতো আলফুল কৈ ধৰি ৰাখিছিলো সংগীতক। জানোচা হেৰাই যায়। স্কুলত থাকোতে স্কুল ফাংচনৰ দিনবোৰ মোৰ আটাইতকৈ প্ৰিয় আছিল। বিশেষকৈ ফাংচনৰ আগৰ দিনকেইটা, যেতিয়া ফাংচনৰ বাবে ৰিহাৰ্চল কৰো। ফাংচনত প্ৰস্তুত কৰিবলৈ বিভিন্ন কাৰ্য্যসূচীৰ দায়িত্বত আছিলো মই। কেতিয়াবা কংগো, কেতিয়াবা তবলা, কেতিয়াবা হাৰমণিয়াম বজাওঁ, কেতিয়াবা কোৰাচ শিকাওঁ। আমাৰ এটা মিউজিক বেণ্ডো আছিল। নাম আছিল 'এভাৰগ্ৰীণ'। মই তেতিয়া বেণ্ডত কংগো বজাওঁ, মিউজিক কম্পোজ কৰো। ৰুমণিয়ে মেণ্ডলিন, প্ৰেৰণা, লয়াই হাৱাইন গীটাৰ, কাশ্মিৰীয়ে ৰিডম গীটাৰআদি বজাইছিল। মই তেতিয়া গীত গোৱাতকৈ কম্পোজ কৰিহে বেছি ভাল পাইছিলো। সেইসময়ত চিষ্টাৰ এলিজাবেথ, ফাডাৰ লুকাচে মোৰ প্ৰতিভাৰ ওপৰত বিশ্বাস কৰিছিল।

স্কুলৰ গৰম বন্ধত সুন্দৰীদিয়াৰ মোৰ ককাৰ ঘৰলৈ প্ৰায়ে যাওঁ। কাকাৰ সাধু শুনি, সংস্কৃত শ্লোক শিকি আইতাই ৰন্ধা ভেদাইলতা আৰু কাৱৈ মাছৰ জোল খাই কি যে আমেজ পাইছিলো। আমাৰ সুন্দৰীদিয়াৰ ঘৰৰ পাছফালে অলপ দূৰৈত এখন সৰু নৈ। আমাৰ গৰমৰ বন্ধতে পৰে বাৰিষাৰ সময়। আৰু বাৰিষাৰ সময়ত সেই নদী আমাৰ পাছফালৰ চোতালৰ ওচৰ পায়হি। পুঁৱতি নিশা নাওঁ বাই বাই সেই পাৰৰ পৰা এই পাৰলৈ বেপাৰ কৰিবলৈ অহা মানুহ। নাওঁত ডাঙৰ ডাঙৰ দৈ গাখীৰৰ টেকেলী, কণীৰ ডাঙৰ ডাঙৰ টুকুৰী, তেওঁলোকৰ কোনোবা এজনৰ মুখত এটি কৰুণ ভাটিয়ালী সুৰ। তেওঁলোকে গোৱা ভাষাটো বুজি নাপাওঁ। কিন্তু কেনেকৈ যে বিনায় গাই, ইমান কৰুণ, মন মোৰ চুই যায় ......। সেই সুৰতে সাৰ পাওঁ মই। আমাৰ শোৱা কোঠালীৰ খিৰিকী খুলিলেই দেখা যায় সেই নাওঁ। খিৰিকী খুলি পৰ্দাৰ ফাঁকেৰে চাওঁ। তেতিয়া এন্ধাৰেই, মাথো নাওঁ খনত ধিমিক-ধামাক জ্বলি থকা এটি লেম্পৰ পোহৰ। ককাৰ ঘৰৰ পৰা বিশগজ মান আঁতৰত সুন্দৰীদিয়া কীৰ্ত্তনঘৰত ভকতসকলৰ পুৱাৰ গীত আৰম্ভ হয় । সেয়া ব্ৰহ্মপুৱাৰ কীৰ্ত্তন। অঙ্গধ আতৈ বুঢ়া ভকতৰ ভক্তিৰে ভৰা কণ্ঠত শুনো 'তেজৰে কমলাপতি ....' পুৱতী নিশাৰ সেয়া কিযে অদ্ভুত পৰিবেশ।

'আকাশত হৰি নাম বতাহত হৰিনাম
হৰিনাম শিশুৰ মুখত
নাৱে নাৱে হৰিনাম ই যে বৈকুণ্ঠধাম
হৰি নাম বঠাৰ কোবত।' (শৈলেন ৰাজখোৱা ৰচিত 'বৰপেটা' কবিতাৰ পৰা)

এফালে বতাহত ভাঁহি অহা কৰুণ ভাটিয়ালী সুৰ, আনফালে কীৰ্ত্তন ঘৰত হৰি নাম, বৰগীত ইত্যাদি। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱ আৰু শ্ৰীমাধৱ দেৱৰ প্ৰতিটো সৃষ্টিয়েই ইমান যে সুন্দৰ আছিল। মোৰ এনেকুৱা লাগিছিল যেন চৰাইবোৰে, বতাহত লৰি থকা গছৰ পাতবোৰে চিঞৰি চিঞৰি গীত গাব খোজে........। পুবৰ আকাশ তেতিয়া লাহে লাহে হেঙুলিয়ায়, বেলি ওলোৱাৰ সময়। ভক্তিতে মুৰ দোঁৱাও মই আকাশলৈ চাই। তেতিয়া মোৰ অকণমানি মনটোত কিমান যে ভাবে খুন্দা মাৰে, কিমান যে গীতৰ কলি মনলৈ আহে। অথচ আবেগ মাননো কি একোকে নুবুজো তেতিয়া মই ...........।

মোৰ মনত আছে দীঘলীয়া ঠাৰিৰে সৈতে ফুলপাহৰ প্ৰতি থকা মোৰ দুৰ্বাৰ আকৰ্ষণ। তেনে ফুল দেখিলেই ওচৰত থিয় হৈ গীত গাওঁ। যেন ফুল পাহ মাইক্ৰোফোন হে। কোনোবাই মাতিলে হাতেৰে ৰবলৈ ইংগিত দিওঁ। মুৰতো ঘূৰালে বা লৰালে জানোচা মাক্ৰোফোন আৰু মোৰ কণ্ঠৰ সামঞ্জস্য হেৰাই যায়। সৰুতে মোৰ প্ৰিয় গীতবোৰ ৰেডিঅ'ত শুনিবলৈ ৰৈ থাকো; ভাল লগা গীতৰ কথাবোৰ লিখি ৰাখো। কিমান যে গীতে বিভিন্ন সময়ত বিভিন্ন ধৰণে মোৰ মন চুই গৈছিল। বহু গীতৰ কথাৰ অৰ্থ তেতিয়া বুজিকে নাপাওঁ কিন্তু সেই গীতৰ গায়ক বা গায়িকাৰ গায়ন শৈলী শুনি গীতবোৰৰ ভাব যেন বুজি পাওঁ। তেতিয়াই এটা কথা বুজিছিলো যে গীত এটি গাওঁতে হৃদয়ৰ পৰা গাব লাগে, হিয়া উজাৰি গাব লাগে; এই কথাবোৰ হয়তো মনৰ কোনোবা কোণত তেতিয়াৰ পৰাই ৰৈ গ'ল ।

## *স্মৃতিৰ মণিকোঠাৰ পাহৰিব নোৱাৰা ঘটনা।*

মই নৱম শ্ৰেণীত পঢ়ি থাকোতে মোৰ দেউতাৰ কোনো এজন সহকৰ্মীয়ে গীত পৰিবেশনৰ বাবে মোৰ নামটো ৰেডিঅ'ৰ 'চেমনীয়া চ'ৰা'ত দিছিল। তাৰেই ফল স্বৰূপে ১৯৮৯ চনৰ ২৩ জানুৱাৰী সোমবাৰে মোক চেমনীয়া চ'ৰাত গীত গাবলৈ নিমন্ত্ৰণ জনোৱা এখন চিঠি আমাৰ ঘৰৰ ঠিকনাত আহিল। ত্ৰিশ জানুৱাৰীৰ দিনা পোন প্ৰথম বাৰৰ বাবে মাক্ৰোফোনৰ আগত গীত গোৱা সেই দিন, সেই অভিজ্ঞতা মোৰ কাৰণে এক মধুৰ স্মৃতি। গীততো দেউতাই আনি দিয়া গীতিকাৰ কেশৱ দত্তই চেমনীয়াৰ বাবে ৰচনা কৰা সেই গীতৰ সুৰটো মই নিজেই কৰিছিলো। নিঃসন্দেহেই সেয়া আছিল

ৰোমাঞ্চকৰ অভিজ্ঞতা। ষ্টুডিঅ’ গৈ আকৌ ৰোমাঞ্চিত হৈছিলো, কিয়নো বহু প্ৰসিদ্ধ বাদ্যযন্ত্ৰী শ্ৰীযুত পাৰ্থপ্ৰতীম চৌধুৰী, জনী যোছেফ, পুষ্প বৰা, মোৰ দেউতাই মোৰ জীৱনৰ প্ৰথম ৰেকৰ্ডিং কৰা গীতটোতেই বজাবলৈ সাজু হৈ আছিল আৰু মোক বহু প্ৰসংশাও কৰিছিল। গীতটো আছিল —

*‘মই ফুলনিৰ ফুল বুটলি ................... /*

সন্দিকৈ মহাবিদ্যালয়ত পঢ়ি থাকোতে শ্ৰেষ্ঠা গায়িকা হোৱা বুলি ঘোষণা কৰা খবৰতো দেউতা আৰু মাক জনোৱাৰ মুহূৰ্ত্ত্যতো মই কেতিয়াও পাহৰিব নোৱাৰো। প্ৰথম বছৰ কলেজ সপ্তাহত দেউতাই যোগ দিবলৈ বাধা দিছিল, হয়তো বিভিন্ন কাৰণত। দেউতাই কয় কোনো কামেই বিশেষকৈ সংগীতত ভালকৈ আগুৱাবলৈ বহু সাধনাৰ প্ৰয়োজন। তাতে মই বৰ চেণ্টিমেণ্টেল আৰু চেনচেটিভ আছিলো বাবেই হয়তো পাৰ্ফৰমেন্স ভাল নহলে দুখ পাম বুলি মোক বাধা দিছিল। কিন্তু দ্বিতীয় বছৰ দেউতাক একোকে নকৈ মাৰ সাহসত যোগদান কৰি শ্ৰেষ্ঠা গায়িকা হৈছিলো। মীনা, ৰীণা বা, মৈত্ৰীবা, বিদ্যুৎদা, বলেনদাই তেতিয়া মোক বহুত সহায় কৰিছিল। খবৰতো পাই দেউতাৰ মুখৰ সেই আচৰিত আৰু আনন্দৰ এক্স’প্ৰেচন মোৰ এতিয়াও চকুত ভাহি উঠে। কলেজত শিক্ষাগুৰুসকলে দিয়া আৰ্শীবাদ, বিশেষকৈ অনিল বৰদলৈ ছাৰে কোৱা ‘তোমাৰ খুব ভাল হব মা’ কথাষাৰ আজিও কাণত বাজি উঠে।

এবাৰ গুৱাহাটী দুৰদৰ্শন যোগে প্ৰচাৰিত হৈছিল এখন ধাৰাবাহিক ‘সাঁচি পাতৰ পুথি’। এই ধাৰাবাহিকৰ শীৰ্ষক গীততো আছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ৰচনা কৰা ‘পাৱে পৰি হৰি’ বৰগীততো। এই গীতটি শুনিবলৈ বহু আগ্ৰহেৰে বাট চাই থাকে তেতিয়া ধুবুৰীত থকা মোৰ মহা আৰু মাহীয়ে (মোহন মহা)। এদিন ধাৰাবাহিক শেষ হোৱাৰ পিছতেই মহাই ফোন কৰি অতি আবেগিক হৈ প্ৰশ্ন কৰিলে ‘মাজনী তুমি এই গীততো মুখেৰে গাইছা নে কলিজাৰে?’

এনে বহুত সৰু সৰু বহু কথাই মোৰ মন চুই যায়। আজি কিছুদিন আগৰ কথা, সংগীত আৰু ব্যস্ততাৰ মাজত সময় উলিয়াই সোণাপুৰলৈ গৈছিলো। তাত মোৰ প্ৰিয় ধাবা এখনত সোমাইছিলো কফি খাবলৈ বুলি। বিল দিয়াৰ সময়ত চিনাকী মেনেজাৰ দাদা আৰু সহকৰ্মী মোৰ ওচৰলৈ আহি অতি নম্ৰতাৰে ক’লে “বাইদেউ আপোনাৰ সন্মানত আমি গৌৰাবান্বিত। আজি আমাৰ ফালৰ পৰা কফিকাপ খোৱালে বেয়া পাব নেকি?” দিনে-ৰাতিয়ে ইমান কষ্ট কৰি থকাত সেই ব্যক্তিসকলে ইমান আত্মীয়তাৰে কথাষাৰ সোধাত I was touched.

## মোৰ গীত মোৰ মনৰ কথা

মই যিকোনো গীত গোৱাৰ আগতে বহুবাৰ বহুকথাই চিন্তা কৰো। মোৰ বাবে গীতৰ কথা আৰু সুৰ এক গুৰুত্বপূৰ্ণ বিষয়। কোনোবাই যদি মোক সোধে, তুমি গানটো কেনেকৈ গোৱা বা গোৱাৰ সময়ত কেনে অনুভৱ হয় তেতিয়া উত্তৰ দিয়াটো মোৰ পক্ষে টান হয়। গানটো যদি কাৰোবাৰ মৰম আকলুৱা হৃদয়ৰ অনুভূতি হয় তেন্তে মই নিজেও তেনেদৰে অনুভৱ কৰিবলৈ চেষ্টা কৰাৰ লগতে সেই ভাৱ শ্ৰোতাৰ হৃদয়লৈকো সঞ্চাৰিত কৰিবলৈ চেষ্টা কৰো। মোৰ এই ভাব মই থমচ্ চেম্পিয়নৰ এটি কবিতা ‘When to her lute Corinna sings’ ত বিচাৰি পাওঁ; য’ত এগৰাকী গায়িকা কৰিণাৰ বিভিন্ন ভাৱৰ গীতে তেখেতক কেনেদৰে মন স্পৰ্শ কৰিছিল তাকেই কৈ গৈছে কবিয়ে।

“For when of pleasure she doth sing,
My thoughts enjoy a sudden spring;
But if doth of sorrow speak,
E’en from my heart the string do break.”

ছবিৰ নেপথ্য গীতত কণ্ঠদান কৰাতো এক সুকীয়া মাধুৰ্য্য আছে। মই নেপথ্যগীতত কণ্ঠদান কৰাৰ সময়ত, গানটো কাৰ ওঁঠত থাকিব, ছবিৰ কাহিনী, চৰিত্ৰ, পৰিস্থিতি সকলো অধ্যয়ন কৰি লব লাগে বুলি ভাবো।

## *তেওঁলোকৰ সান্নিধ্য ...........*

মোৰ কেৰিয়াৰৰ আৰম্ভণিতে অসমৰ সঙ্গীত জগতৰ কেইবাগৰাকী বৰেণ্য সঙ্গীত শিল্পীৰ লগত কাম কৰাৰ সৌভাগ্য হৈছিল। ৰমেন বৰুৱা, ভৱেন বৰঠাকুৰ, দ্বিপেন বৰুৱা, ৰমেন চৌধুৰী, অনুপম চৌধুৰী, পাৰ্থপ্ৰতিম চৌধুৰী, বিমান বৰুৱা, ৰঞ্জিৎ গগৈ, ভূপেন উজীৰ, অনিতা বুঢ়াগোহায়, সন্ধ্যা মেনন, ৰামেশ্বৰ পাঠক আদি বিশিষ্ট লোকসকলৰ লগত কাম কৰি বহু কথাই শিকাৰ প্ৰয়াস কৰিছিলো।

প্ৰবাদ পুৰুষ স্বৰ্গীয় পুৰুষোত্তম দাস দেৱেও মোক সৰুতে খুৱ মৰম কৰিছিল। তেওঁ মোৰ নাম ৰাগশ্ৰী ৰাখিছিল। তৰালি নামতো তেখেতেই দিয়া। অৱশ্যে কালৰ সোঁতত ৰাগশ্ৰী পাহৰণিৰ গৰ্ভত লীন হ’ল। তেখেতৰ জীৱনৰ অন্তিম গীত তেখেতে মোক লৈ মোৰ বাবে ৰচনা কৰি থৈ গ’ল। মোৰ বাবে তেখেতৰ এয়া আশীৰ্বাদ।

আমাৰ সকলোৰে শ্ৰদ্ধেয়া নিৰ্মল প্ৰভা বাইদেৱে এবাৰ মই নথকাত দেউতাক লগ ধৰিবলৈ আমাৰ ঘৰলৈ আহিছিল। ঘৰত সোমায়েই দেউতাক সুধিলে, “ ঘৰৰ নামটো (পুৰতি) কোনে দিছে?” দেউতাই তৰালিয়ে দিয়া বুলি কোৱাত মই কেনেকুৱা ধৰণৰ ছোৱালী সেই সম্পৰ্কত দেউতাৰ লগত কথা পাতিছিল। পিছত দেউতাৰ পৰা শুনি মোৰ কিমান যে ভাল লাগিছিল। তেওঁ মোৰ গান ভাল পোৱা বুলি জানি ভাল লাগিছিল। বিশেষকৈ জীৱনৰ শেষৰ কালছোৱাত মই তেখেত বহু ওচৰৰ পৰা পাইছিলো, জানিবলৈ চেষ্টা কৰিছিলো। অসমৰ সংগীতক লৈ এটি ডাঙৰ প্ৰজেক্ট কৰা আৰু সেইকামৰ দায়িত্ব মোক অৰ্পণ কৰাৰ প্ৰস্তাৱ দাঙি ধৰিছিল কলাক্ষেত্ৰত অনুষ্ঠিত এখন উল্লেখযোগ্য মিটিঙত। নিৰ্মলপ্ৰভা বাইদেউৰ দৰে এগৰাকী মহিয়সী মহিলাই মোৰ দৰে এজনী সাধাৰণ ছোৱালীক এনে এক দায়িত্ব প্ৰদান কৰাটো মোৰ বাবে আৰ্শীবাদ আৰু সৌভাগ্য। এই বিষয়ত আমি বহুত আলোচনা কৰিছিলো যদিও নিয়তিৰ নিৰ্মম সোঁতে তেখেতক আমাৰ মাজৰ পৰা আঁতৰাই নিলে। মোৰ মিনতি, এতিয়া তেখেতৰ সেই আশাক বাস্তৱ ৰূপ দিবলৈ

ভগবানে মোক সমৰ্থ কৰি তোলক ..........।

## *শিক্ষাৰ ৰ'দ কাঁচলিত।*

আনুষ্ঠানিক শিক্ষাৰ আৰম্ভণি হলি চাইল্ড স্কুলত। তাৰ পিছত সন্দিকৈৰ মহাবিদ্যালয়ৰ কলা বিভাগ আৰু স্নাতকোত্তৰ শিক্ষা ললো গুৱাহাটী বিশ্ববিদ্যালয়ত(ইংৰাজী)। ইংৰাজী সাহিত্যৰ প্ৰতি সৰুৰে পৰা মোৰ আকৰ্ষণ। কিছুদিন শিক্ষকতাও কৰিছিলো।

সংগীতৰ শিক্ষাৰ মোৰ প্ৰথম গুৰু আছিল শিবানী দত্ত। ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ আনুষ্ঠানিক শিক্ষাও (ভাতখাণ্ডে) বি.মিউজ লৈ লৈছিলো। সেই সময়ছোৱাত দেৱদা, অজয়দা, দ্বিজেনদাই মোক ৰাগ-ৰাগিনীৰ বহু কথা শিকাইছিল। গায়কী শিকিছিলো শ্ৰদ্ধাৰ পুষ্পৰঞ্জন দেৱৰ ওচৰত। মাজে মাজে কলিকতালৈ গৈ শিপ্ৰা বোস আৰু জয়শ্ৰী গুপ্তাৰ ওচৰত সংগীতৰ তালিম লওঁ।

## *বন্ধু-বান্ধৱীৰে ..........*

'উজালে আপনি যাদো কে  
হামাৰ সাথ ৰেহনে দো  
না জানে কিচ গলি মে  
জিন্দেগী কি শ্যাম হো জায়ে - (ড° বচিৰ বদৰ)

জীৱনত হেনো সঁচা অৰ্থত ভাল, নিঃস্বাৰ্থ বন্ধু পোৱা আটাইতকৈ কঠিন...। মোৰ স্কুলৰ, কলেজৰ আৰু বিশ্ববিদ্যালয়ৰ বন্ধু-বান্ধৱীৰ কথা একেলগে কটোৱা সময়বোৰ, সেই মধুৰ স্মৃতিবোৰে এতিয়াও মোৰ মন সজীৱ কৰি তোলে।

স্কুলৰ গীতি, তছ্‌ৱীণাহত কলেজৰ স্বপ্না, পম্পীহত, বিশ্ববিদ্যালয়ৰ বাগমিতা, মহুৱা, স্বৰস্বতী বিমল, অঞ্জু, কৰবীহঁত, এতিয়া তেওঁলোক সকলো নিজৰ নিজৰ ক্ষেত্ৰত প্ৰতিষ্ঠিত। বিশ্ববিদ্যালয়ত বন্ধু-বান্ধৱীৰে কটোৱা দিনবোৰ মোৰ আটাইতকৈ ভাল লগা। কৃষ্ণচূড়াৰ ফুল, জালুকবাৰীৰ সন্ধিয়া, কেনটিনত বহি গান গোৱা, অন্ত্যাক্ষৰি খেলা, দেশৰ-দহৰ, সমাজৰ, সংগীতৰ ওপৰত কৰা কত চিন্তাশীল আলোচনা আৰু কত যে সৰু সৰু কথা ..... কেতিয়াবা জানো পাহৰিব পাৰিম সেই মূহুৰ্ত্তবোৰ, সেই মধুৰ স্মৃতিবোৰ ...........?

## *কাম কাম আৰু কাম ................*

মই জানো সংগীত মানেই সাধনা, সংগীত পূজা। ১৯৮৮ চনত শিশু শিল্পী হিচাপে আত্মপ্ৰকাশ কৰিছিলো অঁনাতাৰ যোগে চেমনীয়া চ'ৰাৰ অনুষ্ঠানত। সেই একেসময়ত শিশুসকলৰ বাবে নিৰ্মিত এটি বিহু কেছেট 'ৰি প্‌ক পাক' ত কণ্ঠদান কৰিছিলো। সন্দিকৈ কলেজত পঢ়ি থকা সময়ত শ্ৰেষ্ঠা গায়িকা হৈছিলো যদিও পেছাদাৰী আৰু ব্যৱসায়িক সংগীতৰ জগতখনত মই আছিলো একেবাৰেই অপৰিচিত। তেতিয়া বহুতো প্ৰবীণ শিল্পীৰ গীতত কোৰাচহে গাইছিলো। মোৰ লগত জিণ্টী আৰু জিনীয়ে গাইছিল আৰু আমাক সকলোৱে হাৰ্মিং বাৰ্ডছ বুলি মাতিছিল। সেইসময়ত বহু কষ্ট আৰু সংগ্ৰাম কৰিবলৈ সাজু আছিলো। এটা সময়ত ৰাতিপুৱা চাৰে পাঁচ মান বজাতে শোৱা পাতি এৰি ৰেয়াজ কৰিবলৈ বহো। তাৰ পাছত দৌৰাদৌৰিকৈ কিবা এটা খাই ৰাতিপুৱা ৭-৩০ মান বজাত 'মৰ্ণিং চীফ্‌ট'ত গীতৰ ৰেকৰ্ডিঙৰ বাবে ষ্টুডিঅ'লৈ যাওঁ। তাত কিছু দেৰী কাম কৰাৰ পাছত ইউনিভাৰ্চিটিলৈ যাওঁ। মই যিহেতু ইংৰাজী সাহিত্যৰ ছাত্ৰী আছিলো প্ৰতিটো ক্লাচেই মোৰ বাবে খুব দৰকাৰী আছিল। কিন্তু প্ৰায়ে প্ৰথম ক্লাচটো গৈ নেপাওঁ। আবেলি ক্লাচৰ অন্তত অকণো সময় নষ্ট নকৰি টিউচনলৈ আহো। টিউচনৰ শেষত আকৌ ষ্টুডিঅ'লৈ যাঁও। ষ্টুডিঅ'ত প্ৰায়ে ৰাতি দুপৰলৈ গীত গাওঁ। তাৰ পিছদিনাও একেই কাহিনী। কেতিয়াবা আগদিনাৰ টোপনি খতিৰ পাছত পিছদিনা সোনকালে শুই উঠিবলৈ এলাহ লাগিছিল যদিও নিজকে প্ৰতিষ্ঠা কৰিবলৈ দুখ-ভাগৰ, কষ্ট সকলো মানি লৈছিলো।

তেনে সময়ত মই দ্বিপেন বৰুৱাৰ লগত গোৱা 'তোমাৰ পদুম চকুটি' আৰু মিউজিক ৰেভৰ 'চকু মেলি নাচাবা' নামৰ এই দুটি ৰিমেক কেছেটে সফলতা কঢ়িয়াই আনে। ১৯৯৬ ত ৰাজেন ৰাজখোৱাৰ 'সপোন' ছবিৰ যোগে মই প্ৰথম বাৰৰ বাবে নেপথ্য গীত গোৱাৰ সুযোগ পাওঁ। অৱশ্যে প্ৰফেচনেলী প্ৰথম গীত গাইছিলো মোৰ শ্ৰদ্ধাৰ অনিল দাস খুড়াৰ ভক্তিমূলক কেছেট 'প্ৰসিদ্ধ প্ৰেমাঞ্জলি'ত। সেই একেসময়েৰে আন এক উল্লেখযোগ্য কেছেট আছিল 'স্পৰ্শ' আৰু 'ৰাগিনী'।

## *মোৰ বেনাৰ আৰু পেছা*

১৯৯৯ চনৰ ১৪ ফেব্ৰুৱাৰী তাৰিখে মুক্তি লাভ কৰা 'অভিমান' মোৰ একক কণ্ঠৰ প্ৰথম গীতৰ কেছেট। সৰস্বতী কমিউনিকেশ্বনৰ প্ৰযোজকদ্বয়ৰ (গুঞ্জন ফুকন, প্ৰমোদ কলিতা) এজন গুঞ্জন ফুকনক মোৰ ঘৰলৈ প্ৰথমে লৈ আহিছিল অসমৰ সকলোৰে পৰিচিত স্থিৰ চিত্ৰ শিল্পী জীৱন ডাউকায়। গুঞ্জনদায়ে মোক বিহু, টোকাৰী, ৰিমেক আদি কিছু কেছেটত গোৱাৰ কথা ক'লে। তাৰ পিছত মোৰ একক কণ্ঠৰ কেছেট কৰিব বুলিও কলে। মই প্ৰথমে নহব বুলিয়েই কলো।সেই সময়ত আচলতে মোৰ এটি একক কণ্ঠৰ এলবামৰ খুবেই প্ৰয়োজন। এদিন তেওঁলোকৰ বেনাৰত নিৰ্মিত 'ভাই লক্ষ্মণ' নামৰ টোকাৰী গীতৰ এটি এলবামত গাই অহাৰ পিছত সেই গীত শুনি বাকীবোৰ প্ৰজেক্ট পিছলৈ থৈ প্ৰথমে মোৰ একক কণ্ঠৰ এলবাম কৰাৰ প্ৰস্তাৱ দিলে। তেনেদৰে হ'ল 'অভিমান'। সেইসময়ত মোৰ অসমীয়া উচ্চাৰণ বৰ উচ্চমানৰ নাছিল। মোৰ তেনে দোষ-ক্ৰুতিবোৰ গুঞ্জনদাই আঙুলিয়াই দি বৰ মৰমেৰে মোক শিকাইছিল। অভিমানৰ পিছত সেই একে বেনাৰতে 'প্ৰজাপতি' (২০০০), 'তৰালিৰ অনুভৱ' (২০০১), 'পাৰবীন চুলতানাৰ গীত' (২০০২), 'তোমাৰ মৰমৰ কোন ..?' (২০০৩)¯ আৰু শেহতীয়া কৈ নিৰ্মাণ হয় 'বৰগীত' (২০০৪)। মোক মোৰ প্ৰতিভাক আদৰ কৰে সৰস্বতী

কমিউনিকেশ্বনে। মোৰ বহু দুখৰ দিনত তেওঁলোক আছিল কাষতেই। প্ৰমোদদাক মই Friend, Phillosopher and guide বুলিয়েই কওঁ। সস্তীয়া জনপ্ৰিয়তাৰ কথা চিন্তা নকৰি সঁচা অৰ্থত ভাল গীত আৰু কৰ্মাচিয়েলিও সফল গীতৰ কেছেত নিৰ্মাণ কৰাতো সৰস্বতী কমিউনিকেশ্বনৰ প্ৰধান বৈশিষ্ট। প্ৰতিটো প্ৰজেক্টত তেওঁলোকৰ কষ্ট আৰু আলোচনাৰ পৰা বহু কথা শিকাৰ যত্ন কৰিছিলো। তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ। অসমৰ সঙ্গীত জগতত খোপনি পুতিবলৈ বা উল্লেখযোগ্য কিবা এটা কৰিবলৈ সাহস গোটাব পাৰিছো তেওঁলোকৰ পৰা। অলপতে আৰম্ভ হব এটি নতুন প্ৰজেক্ট 'তৰালি'।

## *অকণি মোৰ পৃথিৱী ...............*

মই মধ্যবিত্ত সামাজিক মূল্যবোধৰ মাজত ডাঙৰ - দীঘল হোৱা এজনী সাধাৰণ ছোৱালী। দেউতা (প্ৰভাত শৰ্মা), মা ৰেণু দেৱী, দুই ভণ্টী পূৰৱী আৰু কৰবী আৰু মই - এয়াই আমাৰ পৰিয়ালটি। শ্ৰীপ্ৰভাত শৰ্মাৰ জীয়ৰী বুলি কৈ গৌৰৱ অনুভৱ কৰো মই আৰু মোৰ সৰু ভণ্টী দুজনীয়ে। মোৰ ঘৰৰ সংগীতময় পৰিবেশতোয়েই মোক স্বতঃস্ফুত ভাৱে গীত গাবলৈ, সংগীত ৰচনা কৰিবলৈ অনুপ্ৰাণিত কৰি আহিছে। দেউতাৰ বাঁহীৰ সুৰত আৰম্ভ হয় হয় আমাৰ ৰাতিপুৱা।

দেউতা বৰ মৰমিয়াল,¯ আমাৰ সমস্যাবিলাক বুজিবলৈ চেষ্টা কৰে। দেউতাৰ সৃষ্টি আৰু সাফল্যত সৰুৰে পৰা আনন্দিত হৈছিলো যদিও সংগীতৰ ক্ষেত্ৰত তেখেতে যিদৰে তেখেতৰ ছাত্ৰ-ছাত্ৰীক শিকাইছিল, যত্ন লৈছিল সেইখিনিৰ পৰা আমি বঞ্চিত হোৱা বুলি ভাবি দুখ কৰিছিলো, কেতিয়াবা অভিমানো কৰিছিলো। কিন্তু পিছত বুজিছিলো যে দেউতাই আমাক জীৱনত দিয়া সেয়াই আটাইতকৈ ডাঙৰ শিক্ষা। নিজৰ কষ্ট, সংগ্ৰাম আৰু অধ্যবসায়ৰ বলত নিজৰ লক্ষ্যত উপনীত হোৱাৰ যি সুখ বা আনন্দ তাক আহৰণ কৰিবলৈ তেখেতে আমাক শিকাইছিল। বহুবাৰ চকুপানী ওলাইছিল তেখেতে গোৱা বৰগীত 'প্ৰাণনাথ নকৰ বঞ্চিত' শুনি। অন্তৰৰ পৰা কেনেকৈযে গায় ......... । তেওঁৰ সৰলতা আৰু নম্ৰতাই মোক সদায় কাম কৰি যাবলৈ অনুপ্ৰাণিত কৰে।

মা মোৰ অতিকৈ মৰমৰ, মোৰ বান্ধৱীৰ দৰে। আমি কান্দিলে মায়ে কান্দে, আমি হাঁহিলে মায়ে হাঁহে। মোক আৰু মোৰ ভণ্টীহঁতক সদায় উৎসাহ দিয়া, বহু ত্যাগ স্বীকাৰ কৰা মাৰ ওচৰত মোৰ সেৱা। কেতিয়াবা এনেকুৱা লাগে যিমানেই কৈ যাঁও মাৰ কথা, সিমানেই যেন কম হয় .... ।

মোৰ দুয়োজনী ভনী দুল আৰু মুন মোৰ গীতৰ ভাল শ্ৰোতা আৰু সমালোচক। সিহঁতদুজনীয়ে ভাল গীত গায়। দুয়োজনী নিজৰ নিজৰ কৰ্মক্ষেত্ৰত প্ৰতিষ্ঠিত। আমাৰ ঘৰৰ আন এক সদস্য মোৰ অতি মৰমৰ মাকণ মাহীয়ে আমাক তিনিওজনীৰে খুব আদৰ যত্ন লয় আৰু নিজেও শাস্ত্ৰীয় সংগীতৰ চৰ্চা কৰে।

## *'আকাশী তৰাৰ কথাৰে ............'*

বহুতে বাধা দিয়াৰ পাচতো পৰিচালক মঞ্জু বৰাই বহু বিশ্বাস কৰি মোক 'আকাশী তৰাৰ কথাৰে ....' ছবিখনত সংগীত পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰিছিল। মঞ্জুবাৰ ওচৰত মই সদায়ে কৃতজ্ঞ হৈ ৰ'লো। তেখেতৰ বিশ্বাসক কিঞ্চিৎ হ'লেও ৰাখিবলৈ পাৰিলো বুলি মোৰ মনে ভাবে। ইয়াৰ আগতে মই তেওঁৰ ছবি 'অন্য এক যাত্ৰাত' নেপথ্য গীত গাইছো। 'আকাশী তৰাৰ কথাৰে' সংগীত পৰিচালনা মোৰ বাবে এক সুন্দৰ আৰু ভিন্ন অভিজ্ঞতা। ছবিখনৰ কাহিনী, ট্ৰিটমেণ্ট আদি সকলোবোৰ দিশ বিতংকৈ বুজাইছিল মোক। মঞ্জু বৰাৰ নিচিনা অসমৰ বিভিন্ন প্ৰান্তলৈ গৈ তথ্য গোটাই ইমান আন্তৰিকতাৰে কাম কৰা মানুহ খুবেই কম লগ পোৱা যায়। ছবিখন বাস্তৱধৰ্মী হোৱাৰ লগতে ইয়াত অসমৰ লোক-সংস্কৃতিৰ ওপৰত বিশেষভাৱে আলোকপাত কৰা হৈছে। অসমৰ বিভিন্ন থলুৱা গীত-মাত অধ্যয়ন কৰিব সুযোগ পালো এই ছবিৰ জৰিয়তে। গুৱাহাটী শ্বহীদ ন্যাস ভৱনত মোৰ একক কণ্ঠৰ এলবাম সৰস্বতী কমিউনিকেশ্বনৰ 'তোমাৰ মৰমৰ কোন' উদ্বোধনৰ সময়ত গাইছিলো মহাপুৰুষ মাধৱ দেৱ বিৰচিত নাম ঘোষাৰ এটি কাকৃতি 'কি মতে ভকতি'। তাত উপস্থিত থকা মঞ্জু বৰাই তেতিয়া 'আকাশী তৰাৰ কথাৰে ' ছবিৰ চিত্ৰনাট্যৰ কামত ব্যস্ত আছিল। তেখেতে তেতিয়া মোক সেই ঘোষা এটি ছিটুৱেশ্বনত মিলিব বুলি কৈ ছবিত ৰখাৰ কথা কয়।

প্ৰযোজক সংগীতা তামুলীয়ে আকাশী তৰাৰ .... নিৰ্মাণ নকৰি অন্য বিনোদন ছবিও কৰিব পাৰিলেহেতেন। তেওঁৰ এই সাহসী প্ৰচেষ্টাক শলাগ নলৈ নোৱাৰি।

## *কলা, উদ্দেশ্য আৰু কৃতকাৰ্য্যতা .........*

মই বিশ্বাস কৰো যে প্ৰেমৰ ক্ষেত্ৰত যিদৰে কোনো নীতি-নিয়ম নাখাটে সফলতাৰ ক্ষেত্ৰতো সেই একেই কথা। সন্মান বা পুৰস্কাৰ লাভ, মোৰ এলবামৰ প্ৰচুৰ বিক্ৰী, মই গান গোৱাৰ সময়ত শ্ৰোতা-দৰ্শকৰ উৎসাহ এইবোৰ যে দৰকাৰী বা সফলতাৰ অংগ এই কথা মই অস্বীকাৰ নকৰো। কিন্তু মোৰ কলা, মোৰ সঙ্গীতৰ এটি অন্তৰ্নিহিত উদ্দেশ্য নথকাও নহয়। মোৰ গানেৰে মই সমাজত পৰিবৰ্ত্তন বা বিপ্লৱ হয়তো আনিব নোৱাৰো; কিন্তু তাৰ দ্বাৰা যদি সমাজৰ কদৰ্য্যতা কিঞ্চিৎমানো আঁতৰাব পাৰো, মই যদি শ্ৰোতাক এক সুন্দৰ অনুভৱ দিব পাৰো তেতিয়া মই বুজিম মই শুদ্ধ পথেৰে গৈছো। বৰ্ত্তমান আমি অতি জটিল সময়ৰ মাজেৰে জীৱন অতিবাহিত কৰিবলগীয়া হৈছে। এনে দুঃসময়ত মোৰ গানে যদি কাৰোবাক অকণমান সুখ-শান্তি দিব পাৰে, কাৰোবাক ভবাই তুলিব পাৰে, কাৰোবাৰ মুখত যদি হাঁহি বিৰিঙাই তুলিব পাৰে, মই গোৱা ঘোষা-বৰগীতে যদি শ্ৰোতাৰ প্ৰাণত খন্তেকৰ বাবে হলেও ইশ্বৰ-চিন্তা জগাই তুলিব বা মনলৈ শান্তি আনিব পাৰে তেতিয়াই বুজিম মোৰ গীত গোৱা সাৰ্থক হৈছে।

## *হতাশা আৰু মোৰ জীৱন ..........*

কেতিয়াবা মোৰ পাৰফৰ্মেন্স আশাকৰা মতে নহয়; তেতিয়া মই মনত দুখ পাওঁ। মোৰ দেউতাই সদায় কয় শিল্পীৰ হেনো এখন ভৰি সদায় খালত। ৰেডিঅ'ত গোৱা প্ৰথম গীতটোই প্ৰচাৰৰ গণ্ডগোলত আজিও শুনিবলৈ নাপালো। ষ্টুডিঅ'ত প্ৰথম বিহু গীতৰ কোৰাচ গাবলৈ যাওঁতে হাঁহিয়াতৰ পাত্ৰী হৈছিলো। অতি আপোন মানুহেও কেতিয়াবা অবিশ্বাসী, কেতিয়াবা অকৃতজ্ঞ অথবা Traitor, proud বুলি কোৱাও মোৰ মনত আছে। কিন্তু সকলোৰে দৰে মোৰ যে এক হৃদয় আছে ......., এনেবোৰ কথাই যে মোকো আঘাত দিয়ে ...... । আচলতে প্ৰায় সকলোৱে নিজক শুদ্ধ বুলিয়েই ভাবে। নিজৰ কথাকেই অন্তিম সত্য বুলি বিবেচনা কৰে। মই জানো যে ভুল ময়ো কৰো। কেতিয়াবা জানি কেতিয়াবা নাজানি। কিন্তু মই মোৰ ভুল, মোৰ দোষ-দুৰ্বলতাৰবোৰৰ পৰা শিক্ষা লবলৈ আগ্ৰহী।

মই জানো যে বহু কষ্টৰ মূৰতহে জীৱনত সফলতাৰ সৈতে মুখামুখি হব পাৰি। মই উপলব্ধি কৰো, বিজয়ীৰ মুকুট অৰ্জন কৰিবলৈ হ'লে মই সদা-ব্যস্ত, সদা সচেতন হৈ থাকিবই লাগিব। মই দৃঢ়ভাৱে বিশ্বাস কৰো যে জয়-পৰাজয় জীৱনত থাকিবই। চেষ্টাৰ দ্বাৰা নিজৰ ভুল-ক্ৰুটিবোৰ আঁতৰাব পাৰিলেই যিকোনো বৃত্তিতে মানুহে সফলতা লাভ কৰিব পাৰে।

## *ভাল পাওঁ মই..........*

গজলৰ প্ৰতি থকা গভীৰ আসক্তিৰ বাবে হয়তো কবিতা লিখিবলৈ, গজল লিখিবলৈ আৰু সুৰ দিবলৈ খুব ভাল পাইছিলো। তদুপৰি পেইন্টিং কৰিও ভাল পাওঁ। সময় পালে হাতত তুলিকা তুলি লওঁ।

মই প্ৰকৃতি বিভিন্ন ৰূপৰ মাজত বিচাৰি পাঁও এক অনাবিল আনন্দ। বতাহত কঁপি উঠা সৰা পাতৰ শব্দ, প্ৰখৰ ৰ'দৰ মাজতে হঠাৎ আকাশ কলীয়া মেঘে ছানি ধৰাৰ লগতে খুব বেগেৰে বৈ যোৱা এজাক বতাহ, নীলিম আকাশৰ বুকুত লৰি-ধাপৰি ফুৰা শুকুলা মেঘৰ চপৰাবোৰ, নিশাৰ আকাশত তৰাৰ তৰাৱলী, জোনাক নিশা পথাৰ আৰু নৈৰ পাৰে পাৰে খোজ কাঢ়া ........ এইবোৰ মোৰ খুব প্ৰিয়।

ঋতুৰ ভিতৰত মোৰ আটাইতকৈ প্ৰিয় বসন্ত আৰু শৰৎ। বসন্তৰ কাহিলী পুৱা দূৰৈৰ পৰা ভাঁহি অহা ঢোল-পেপাৰ শব্দ আৰু কুলিৰ মাতত কিবা এটা আমেজ পাওঁ, যিটো মোৰ বাবে বৰ্ণনাতীত। শৰতৰ নিয়ৰে তিয়াই ৰখা দুবৰি, শেৱালীৰ স্নিগ্ধ সুবাস, গধূলি পৰত বৈ যোৱা শীতল বতাহজাক, দূৰৈৰ নামঘৰৰ পৰা ভাঁহি অহা আই নাম আৰু ঢাকৰ শব্দই মোৰ অন্তৰ চুই যায়।

## *বহু দূৰ এতিয়াও বাকী...............*

The woods are lovely, dark and deep,
But I have promises to keep.
And miles to go before I sleep.
And miles to go before I sleep. (Robert Frost)

মই জানো এতিয়াও মোৰ বহুদূৰ যাবলৈ বাকী আছে। কঠোৰ পৰিশ্ৰমৰ পিছতো কেতিয়াবা ভাব হয় যেন একোকে হোৱা নাই। আজি যিখিনি পাইছো এই বিশাল বিশ্বৰ যেন এক বিন্দুহে। মই সাধনা কৰি যাবই লাগিব। জীৱন ইমান মসৃণ, ইমান সুষম হব নোৱাৰে। তথাপিতো মই মুক্ত পখীৰ দৰে উৰিব খোজে, ধুনীয়া গীত গাব খোজো... আকৌ সপোন দেখিব খোজো গীতৰ, সংগীতৰ ..... যদিও ভালদৰে বুজো মই —

'তোৰ নাই যে বন্ধোৱা বাট
তোৰ পদে পদে আছে কতনা উজুটি
কত ঘাত প্ৰতিঘাট
তোৰ নাই যে বন্ধোৱা বাট।' (পাৰ্বতী প্ৰসাদ বৰুৱা)

আশা অপৰাজেয় ............................।

***যুগুতালে — কুমাৰ ভাস্কৰজ্যোতিয়ে।***

## *সাংস্কৃতিক পৰিক্ৰমা*

**কণ্ঠদান কৰা ছবি ঃ** *জোন জ্বলে কপালত, হিয়া দিয়া নিয়া, প্ৰিয়া ও প্ৰিয়া, ককাদেউতাৰ ঘৰ জোঁৱাই, হেঁপাহ, এয়ে জোনাকবিহীন জীৱন, অনল, অহংকাৰ, বিস্ফোৰণ, অৰ্পণ, মৎস্যগন্ধা, অন্য এক যাত্ৰা, মা তুমি অনন্যা, গৰম বতাহ, আছেনে কোনোবা হিয়াত, সপোন, বন্ধন, সোণৰ খাৰু নালাগে মোক, আকাশী তৰাৰ কথাৰে আৰু লাজ।*

**একক কণ্ঠৰ আধুনিক গীতৰ কেছেট ঃ** *অভিমান, প্ৰজাপতি, তৰালিৰ অনুভৱ, তোমাৰ মৰমৰ কোন?, বৰগীত,* পাৰবীন চুলতানাৰ গীত *(সৰস্বতী কমিনিকেশ্বন)*

**ৰিমেক গীতৰ কেছেট ঃ** তোমাৰ পদুম চকুটি, চকু মেলি নাচাবা।

**থলুৱা গীতৰ কেছেট ঃ** *চিন্তামণি (বিহু), বৰষা (বিহু), জানমণি (বিহু), মন ফাগুণৰ পছোৱা (বিহু), গীতাঞ্জলী (বিহু), ৰূপালী (বিহু), কানু (লোকগীত), ভাই লক্ষ্মণ (টোকাৰী গীত), গুৰু জনা (টোকাৰী গীত)*

**টিভি চিৰিয়েল আৰু তথ্যচিত্ৰত কণ্ঠদান ঃ** *অনুসন্ধান, বৃকোদৰ বৰুৱাৰ বিয়া, সুৰুযমুখীৰ সপ্ন, মেঘ ৰ'দালিৰ খেলা (গায়িকা, সংগীত পৰিচালক), দেৱদাসী*

**ছবিৰ সংগীত পৰিচালনা ঃ** *আকাশী তৰাৰ কথাৰে আৰু লাজ।*

**কেছেটৰ সংগীত পৰিচালনা ঃ** *তোমাৰ মৰমৰ কোন? স্নেহ (ভক্তিমূলক), পোহৰ আৰু সোণজনী (বিহু)*

**টেলি ছবিৰ সংগীত পৰিচালনা ঃ** *এজনী জাপানী ছোৱালী, পোহৰ, জৰায়ুৰ মৃত্যু, জীৱন আৰু সংঘাত, আঁৰস্থ অৱস্থান।*

**বঁটা ঃ** *সন্দিকৈ কলেজৰ শ্ৰেষ্ঠা গায়িকা ১৯৯১-৯২, ১৯৯৩-৯৪।*

*Inter College Youth Festival ত ভাৰতীয় শাস্ত্ৰীয় সংগীত (কণ্ঠশিল্পী) বিভাগত শ্ৰেষ্ঠা গায়িকা ।*

*মৎস্যগন্ধা আৰু হেঁপাহৰ বাবে দুবাৰকৈ জ্যেতিৰূপা জইণ্ট মিডিয়াৰ শ্ৰেষ্ঠা গায়িকাৰ বঁটা।*

*৫১তম ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰতিযোগিতাত শ্ৰেষ্ঠা গায়িকাৰ সন্মান।*

## *গীত*

***(স্বৰ্গীয় পুৰুষোত্তমদাস দেৱে তৰালিৰ বাবে লিখি থৈ যোৱা তেওঁৰ জীৱনৰ অন্তিম গীত।)***

**ৰাগ ৰাগ ৰাগশ্ৰী**
**সুৰে মাতে চিঞৰি**
**কাণ সজাগ হয়**
**সুৰ আৰু সাধনাই**
**জেউতী চৰাই।।**

**টুন টুনী চৰাই**
**ওপৰেদি উৰে**
**আকাশৰ পৰা নামি**
**তৰালি বাউলি হয়**
**সুৰ হৈ ধৰে।**

**সুৰে সুৰে ধেমালী**
**নামি আহে গধূলি**
**কামনা বাসনা মিলি**
**সুৰ সাগৰত যেন মিলি যায়।**

**কাকুতি ঘোষা গোৱা**
**ৰাজহংসজাকে যেন সুৰকে বিচাৰে**
**গোটেই পৃথিৱীয়ে যেন**
**সুৰবোৰ হাততে পায়।**

## *ক্লোজ-আপ*

*ঘৰুৱা নাম ঃ মাজনী/ তৰা*
*জন্মদিন ঃ ৪ আগষ্ট*
*প্ৰিয় শব্দ ঃ মা*
*প্ৰিয় ফুল ঃ বকুল*
*প্ৰিয় ৰং ঃ বগা*
*প্ৰিয় সময় ঃ পুৱতি*
*প্ৰিয় মুহূৰ্ত্ত ঃ গীত চৰ্চা কৰি থকা সময়বোৰ*
*প্ৰিয় গীতিকাৰ ঃ শ্ৰীযুত গুলজাৰ, কেশৱ মহন্ত*
*প্ৰিয় সুৰকাৰ ঃ শ্ৰীযুত ৰবীন্দ্ৰ জৈন, শ্ৰীযুত প্ৰভাত শৰ্মা*
*প্ৰিয় গায়ক/ গায়িকা ঃ লতা মঙ্গেস্কাৰ, মান্না দে, দিপালী বৰঠাকুৰ*
*প্ৰিয় ছবি ঃ হালধীয়া চৰায়ে বাওঁধান খায়, সাদ্‌মা আৰু মাই বেষ্ট ফ্ৰেণ্ড ৱেডিং*
*প্ৰিয় অভিনেতা/ অভিনেত্ৰী ঃ জুলিয়া ৰবাৰ্টছ, জয়া ভাদুৰী, মলয়া গোস্বামী, মৃদুলা বৰুৱা ,অমিতাভ বচ্চন, বিষ্ণু খাৰঘৰীয়া আৰু যতীন বৰা।*
*প্ৰিয় কিতাপ ঃ প্ৰাইড এণ্ড প্ৰেজুডিছ*
*প্ৰিয় লেখক/ লেখিকা ঃ লক্ষ্মী নাথ বেজবৰুৱা*
*প্ৰিয় ব্যক্তিত্ব বা আদৰ্শ ঃ দেউতা প্ৰভাত শৰ্মা, লতা মঙ্গেস্কাৰ*

## *Expectation*

*I stood in silence all alone*
*Out side in the dark reign*
*A chilling wind blew aside my hair*
*Shadows talked behind.*

*Upto the sky I cast my glance*
*A thousand stars looked at me*
*Fancy my Lord ! but one from them*
*Mine I wished could be !*

*Tears trickled down the cheeks*
*And shadows played tricks*
*For the star I wished was miles away*
*And far out of my reach.(তৰালিৰ ৰচিত কবিতা)*